**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-08-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। নতুন দিল্লী মহলে ২২গৰাকী ভাৰতীয় নাৱিকসহ দুখন বাণিজ্যিক জাহাজ অপহৰণ কৰাৰ বিষয়টো ছোমালিয়া কৰ্তৃপক্ষৰ ওচৰত উত্থাপন কৰিছে।

২। কেন্দ্ৰীয় মন্ত্ৰী ডঃ মনসুখ মন্দাৱিয়াই আজি BRICS ৰাষ্ট্ৰগোষ্ঠীৰ মন্ত্ৰী আৰু শীৰ্ষ প্ৰতিনিধিসকলৰ সৈতে বিশাখাপট্টনমৰ সমীপৰ ঐতিহাসিক ঠোটলাকোণ্ডা বৌদ্ধ মঠ পৰিদৰ্শন কৰে।

৩। দেশত অনুমান কৰাতকৈ কম উৎপাদন হোৱা সত্তেও ঘৰুৱা চাহিদা পূৰণৰ বাবে পৰ্যাপ্ত পৰিমাণৰ চেনি মজুত আছে বুলি চৰকাৰে আশ্বাস দিছে।

৪। অসম-মেঘালয়ৰ শেহতীয়া উত্তেজনাপূৰ্ণ পৰিস্থিতি সন্দৰ্ভত গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কিছুসময় পূৰ্বে এখন বৈঠক অনুষ্ঠিত হয়। *আৰু*

৫। ভাৰতৰ তৃষা জ'লী আৰু গায়ত্ৰী গোপীচান্দ আজি বিশ্ব বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ ছেমি ফাইনেলত অৱতীৰ্ণ হ'ব।

oooo

নতুন দিল্লী মহলে ২২গৰাকী ভাৰতীয় নাৱিকসহ দুখন বাণিজ্যিক জাহাজ অপহৰণ কৰাৰ বিষয়টো ছোমালিয়া কৰ্তৃপক্ষৰ ওচৰত উত্থাপন কৰিছে। এম টি শিবু নামৰ জাহাজখন যোৱা ২০ আগষ্টত য়েমেনৰ উপকূল ভাগৰ সমীপৰ পৰা অপহৰণ কৰা হৈছিল। জাহাজখনত ১৬গৰাকী ভাৰতীয় নাগৰিকসহ মুঠ ২০জন লোক আছিল। এম ভি লুট্‌ফ নামৰ দ্বিতীয়খন জাহাজ ১৭ আগষ্টত ছোমালিয়াৰ পুটলেণ্ডৰ উপকূল ভাগৰ সমীপৰ পৰা অপহৰণ কৰা হৈছিল। জাহাজখনত ৬গৰাকী ভাৰতীয় নাগৰিকসহ মুঠ ১০গৰাকী আৰোহী আছিল। কেনিয়াত থকা ভাৰতীয় উচ্চায়োগে ভাৰতীয় নাগৰিককেইগৰাকী নিৰাপদে আছে বুলি প্ৰকাশ কৰিছে। ইপিনে, বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কালি অৰ্ধসপ্তাহিক সংবাদমেলত সোধা এটা প্ৰশ্ন উত্তৰত কয়, যে ভাৰত অশান্ত জৰ্জৰ সামুদ্ৰিক এলেকাত কাম কৰা ভাৰতীয় নাগৰিকৰ কল্যাণৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ।

oooo

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডঃ মনসুখ মন্দাৱিয়াই আজি BRICS ৰাষ্ট্ৰগোষ্ঠীৰ মন্ত্ৰী আৰু শীৰ্ষ প্ৰতিনিধিসকলৰ সৈতে অন্ধ্ৰপ্ৰদেশৰ বিশাখাপট্টনমৰ সমীপৰ ঐতিহাসিক ঠোটলাকোণ্ডা বৌদ্ধ মঠ পৰিদৰ্শন কৰে। প্ৰতিনিধিসকলে মহাস্তুপ, ধ্যানকেন্দ্ৰ, কুঁৱা আৰু ৰান্ধনিগৃহকে ধৰি প্ৰাচীন বৌদ্ধ অৱশিষ্টসমূহ পৰিদৰ্শন কৰে। প্ৰতিনিধিসকলক এই ঠাইৰ ঐতিহাসিক গুৰুত্ব তথা শতিকাপূৰ্বে ইয়াত বাস কৰা বৌদ্ধ ভিক্ষুসকলৰ জীৱনৰ বিষয়ে অৱগত কৰা হয়। ডঃ মন্দাৱিয়াই লগতে 'এজোপা গছ মাৰ নামত' অভিযানৰ অংশ হিচাপে এটা গছৰ পুলি ৰোপণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ঠোটলাকোণ্ডাৰ চহকী বৌদ্ধ ঐতিহ্যৰ প্ৰশংসা কৰি কয়, যে ভাৰতৰ বৌদ্ধ ঐতিহ্য সমগ্ৰ

বিশ্বৰ বাবে গুৰুত্বপূৰ্ণ। উল্লেখযোগ্য যে ভাৰতৰ অধ্যক্ষতাত বিশাখাপট্টনমত অনুষ্ঠিত BRICS-ৰ কাৰ্যসূচীৰ অংশ হিচাপে প্ৰতিনিধিসকলে এই প্ৰাচীন মঠ পৰিদৰ্শন কৰে। BRICSৰ ১১ খন সদস্য ৰাষ্ট্ৰৰ মন্ত্ৰী আৰু শীৰ্ষ প্ৰতিনিধিসকলে ইয়াত অংশগ্ৰহণ কৰিছে।

বিশাখাপট্টনমত আজি বিয়লি BRICS ৰাষ্ট্ৰগোষ্ঠীৰ যুৱ মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াৰ সভাপতিত্বত হ'বলগীয়া এই বৈঠকত যুৱ বিকাশ আৰু সৱলীকৰণৰ ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰা হ'ব। তদুপৰি শিক্ষা, দক্ষতা বিকাশ, উদ্যমিতা আৰু বহনক্ষম উন্নয়ন সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হ'ব।

বিশাখাপট্টনমত কাইলৈ ব্ৰীকছ্ ৰাষ্ট্ৰসমূহৰ ক্ৰীড়া মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত ক্ৰীড়া খণ্ডত সহযোগিতা শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰা হ'ব। এই বৈঠকে ৰাষ্ট্ৰীয় অভিজ্ঞতাসমূহৰ বিনিময়, ব্যৱহাৰিক সহযোগিতাৰ ক্ষেত্ৰ চিনাক্তকৰণ আৰু যুৱ অংশগ্ৰহণ, ক্ৰীড়া উন্নয়ন তথা সৰ্বাংগীন বিকাশৰ দিশত সামুহিক প্ৰচেষ্টা শক্তিশালী কৰাৰ ক্ষেত্ৰত এখন গুৰুত্বপূৰ্ণ মঞ্চ প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০

দেশত পবৰ্বে অনুমান কৰাতকৈ কম পৰিমাণে চেনি উৎপাদন হোৱাৰ পাছতো ঘৰুৱা চাহিদা পূৰণৰ বাবে পৰ্যাপ্ত পৰিমাণৰ চেনি মজুত আছে বুলি চৰকাৰে আশ্বাস দিছে। শেহতীয়াকৈ চেনিৰ মূল্যবৃদ্ধিৰ পৰিপ্ৰেক্ষিতত চৰকাৰে পৰ্যাপ্ত পৰিমাণৰ চেনিৰ মজুত নিশ্চিত কৰা আৰু গ্ৰাহকসকলৰ বাবে সুস্থিৰ মূল্য বজাই ৰখাৰ ক্ষেত্ৰত এলানি ব্যৱস্থা গ্ৰহণ কৰিছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে জনোৱা মতে পৰিস্থিতি নিৰন্তৰ নিৰীক্ষণ কৰি থকা হৈছে। উল্লেখযোগ্য যে যোৱা ২০ জুলাইত চেনিৰ মূল্য প্ৰতি কিলোগ্ৰামত ৪৮ টকাৰ পৰা যোৱা বৃহস্পতিবাৰলৈ প্ৰায় ৫৫ টকা বৃদ্ধি পাইছে।

মন্ত্ৰ্যালয়ে কয়, যে ইথানলৰ উৎপাদনৰ বাবে চেনিৰ মূল্য বৃদ্ধি হোৱা নাই। দেশত উৎপাদিত ইথানলৰ প্ৰায় তিনি চতুৰ্থাংশ শস্যৰ পৰা বিশেষকৈ গোমধানৰ পৰা আহে বুলি মন্ত্ৰ্যালয়ে উল্লেখ কৰে। মন্ত্ৰ্যালয়ে কয়, যে প্ৰয়োজনতকৈ ঘৰুৱা উৎপাদন কম হোৱা, উৎসৱৰ বতৰৰ পূৰ্বে চাহিদা বৃদ্ধি পোৱা, বতৰৰ বাবে কুঁহিয়াৰৰ খেতি ক্ষতিগ্ৰস্ত হোৱা, গোলকীয় যোগান হ্ৰাসকে ধৰি বিভিন্ন কাৰণত চেনিৰ শেহতীয়া মূল্যবৃদ্ধি হৈছে। মন্ত্ৰ্যালয়ে জনোৱা মতে এইবছৰ চেনিৰ উৎপাদন পূৰ্বে অনুমান কৰা ৩৪৩ লাখ টনৰ পৰিৱৰ্তে প্ৰায় ৩০৬ লাখ টন হ'ব বুলি আশা কৰা হৈছে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দাৰ্জিলিঙৰ চুকনাত গোৰ্খা নেতাসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈছে। বৈঠকত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰী, মুখ্য সচিব মনোজ আগৰৱাল, পাৰ্বত্য পৰিক্ৰমা ৰাজ্য মন্ত্ৰী বিশাল লামা, গোৰ্খা নেতা বিমল গুৰুং, মান ঘিচিং, লোকসভাৰ সাংসদ ৰাজু বিষ্টকে ধৰি চাৰিগৰাকী গোৰ্খা বিধায়কে অংশ লৈছে। গোৰ্খা জনমুক্তি মৰ্চাৰ সভাপতি বিমল গুৰুঙে জনোৱা মতে বৈঠকত তেওঁলোকৰ দীৰ্ঘদিনীয়া দাবীৰ স্থায়ী ৰাজনৈতিক সমাধানৰ বিষয়টোক লৈ আলোচনা হোৱাৰ কথা। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আজি বি এছ এফ, এছ্ এছ্ বি, আই বি, আৰক্ষী আৰু অন্যান্য ৰাজ্য আৰু কেন্দ্ৰৰ শীৰ্ষ বিষয়াসকলৰ সৈতে উচ্চ পৰ্যায়ৰ শিলিগুড়ি কৰিডৰ বৈঠকত মিলিত হ'ব।

০০০০

গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়ৰ সৰলীকৰণ সমিতিৰ উদ্যোগত  আজি নতুন দিল্লীত দীনদয়াল অন্তোদয়া আঁচনিৰ অন্তৰ্গত ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত কৃষিৰহিত জীৱিকাৰ প্ৰস্তাৱ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। এই বৈঠকৰ জৰিয়তে মহিলা নেতৃত্বাধীন গ্ৰাম্য উদ্যোগসমূহক শক্তিশালী কৰাৰ লগতে আত্মসহায়ক গোটসমূহক পথ নিৰ্দেশনা দিয়াৰ প্ৰচেষ্টা গ্ৰহণ কৰা হয়। গ্ৰাম্য উন্নয়ন বিভাগৰ সচিব ৰোহিত কাঞ্চালে এই বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত গ্ৰাম্য মহিলাসকলক লাখপতি বাইদেউলৈ পৰ্যবশিত কৰা সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০

চৰকাৰে ৪ বছৰৰ তলৰ শিশুৰ বাবে ক্লোৰফেনিৰামাইন মেলেট আৰু ফিনাইলএফ্ৰিন হাইড্ৰোক্লোৰাইদ থকা ফিক্সড ডোজ কম্বিনেছন     অৰ্থাৎ এবাৰতে ব্যৱহাৰ কৰিব পৰাকৈ নিৰ্ধাৰিত মাত্ৰাত ২ বা ততোধিক ভেষজ উপাদানেৰে প্ৰস্তুত কৰা ঔষধৰ নিৰ্মাণ বিক্ৰী আৰু বিতৰণ নিষিদ্ধ কৰিছে। স্বাস্থ্য মন্ত্ৰালয়ে এখন অধিসূচনা যোগে এনে ঔষধৰ পেকেটত ৪ বছৰৰ তলৰ শিশুৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব নালাগে বুলি স্পষ্টভাৱে সতৰ্ক কৰি দিয়াটো অনিবাৰ্য কৰিছে। শিশুসকলৰ স্বাস্থ্য আৰু সুৰক্ষাৰ কথা বিবেচনা কৰি এই সিদ্ধান্ত লোৱা হৈছে। উল্লেখযোগ্য যে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে ১৬ বিধ ফিক্সড ডোজ কম্বিনেছন ঔষধৰ উৎপাদন বিক্ৰী আৰু বিতৰণ নিষিদ্ধ কৰিছিল। বিশেষজ্ঞ সমিতি আৰু ঔষধ কাৰিকৰী পৰামৰ্শ পৰিষদৰ পৰামৰ্শ অনুযায়ী এই ঔষধসমূহ নিষিদ্ধ কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

০০০০

ভাৰতৰ তৃষা জ'লী আৰু গায়ত্ৰী গোপীচান্দ আজি বি ডব্লিউ এফ বিশ্ব বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলা ডাবলছৰ ছেমি ফাইনেলত চীনৰ শীৰ্ষ বাছনিপ্ৰাপ্ত লীউ ছেং শু আৰু টান নিঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় যুটীটোৱে কালি কোৱাৰ্টাৰ ফাইনেলত চীনৰ চতুৰ্থ বাছনিপ্ৰাপ্ত জিয়া য়ি ফেন আৰু ঝাং শু শ্বিয়ানৰ যুটীটোক ১৬-২১, ২১-১৫, ২১-১৩ গেমত পৰাভূত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে আৰু প্ৰতিযোগিতাত দেশৰ হকে পদক নিশ্চিত কৰে। তৃষা আৰু গায়ত্ৰীৰ যুটীটোৱে লগতে এই জয়ৰ সুবাদত বিশ্ব বেডমিণ্টন প্ৰতিযোগিতাত পদক অৰ্জন কৰা দেশৰ দ্বিতীয়টো মহিলা যুটীৰূপে পৰিগণিত হয়। ইয়াৰ পূৰ্বে জ্বালা গুট্টা আৰু অশ্বিনী পোনাপ্পাই ১৫ বছৰ পূৰ্বে লণ্ডনত অনুষ্ঠিত প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

০০০০

১৩৫ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত মোহন বাগান ছুপাৰ জায়েণ্ট, ইষ্ট বেংগল এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মোহন বাগানে বৃহস্পতিবাৰে শ্বিলঙত হোৱা প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত বিগত দুটা বৰ্ষৰ চেম্পিয়ন নৰ্থ-ইষ্ট ইউনাইটেডক টাই ব্ৰেকাৰৰ সহায়ত ৪-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আনহাতে ইষ্ট বেংগলে প্ৰথম ছেমি ফাইনেলত এফ চি দিল্লীক পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।  উল্লেখযোগ্য যে মোহন বাগানে অভিলেখ সংখ্যক ১৭ বাৰ ডুৰাণ্ড কাপৰ খিতাপ দখল কৰাৰ বিপৰীতে ইষ্ট বেংগলে ১৬ বাৰ ডুৰাণ্ড কাপ জয় কৰিছে।

০০০০

সমাপ্ত